**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-05-2024
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
**::::::::::::::::::::::::::::::::::::::**

১।  ৰাজ্যত অনুষ্ঠিত তৃতীয় পৰ্যায়ৰ নিৰ্বাচনত মুঠ ৮৫ দশমিক ৪-৫ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে বুলি নিৰ্বাচন আয়োগৰ প্ৰকাশ।

২।  দেশৰ বিভিন্ন প্ৰান্তত হ'বলগীয়া পৰৱৰ্তী ৪টা পৰ্যায়ৰ নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান ব্যাপক ৰূপত অব্যাহত।

৩।  সমগ্ৰ ৰাজ্যজুৰি শ্ৰীশ্ৰী দামোদৰ দেৱৰ ৪২৬ সংখ্যক তিৰোভাৱ তিথি পালন। বৰপেটাৰ পাটবাউসী আৰু মাজুলীৰ দক্ষিণপাট গৃহাশ্ৰমী সত্ৰত বিশেষ কাৰ্যসূচী।

**আৰু**

৪।  আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব।

০০০০০০

ৰাজ্যৰ ৪টা সমষ্টিত কালি লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন হয়। ইয়াৰ লগে লগে ৰাজ্যখনৰ ১৪টা সমষ্টিত ১৪৩ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য ই ভি এমত বন্দী হৈছে। উল্লেখযোগ্য যে প্ৰথম পৰ্যায়ত ৰাজ্যখনৰ ৫টা সমষ্টি কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত মুঠ ৩৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। আনহাতে দ্বিতীয় পৰ্যায়ত ৫টা সমষ্টি দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁৱত ৬১ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দিতাত অৱতীৰ্ণ হৈছে। তৃতীয় পৰ্যায়ত কালি ৪টা সমষ্টিত ৪৭ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দিতাত অৱতীৰ্ণ হৈছে। শেহতীয়া তথ্য অনুসৰি তৃতীয় পৰ্যায়ত ৰাজ্যখনত ৮৫ দশমিক ৪-৫ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। ইপিনে, ভোটগ্ৰহণ হোৱাৰ পাছত ই ভি এমসমূহ কটকটীয়া নিৰাপত্তাৰ মাজত ষ্ট্ৰং ৰূমত ৰখা হৈছে। ৰাজ্যখনত তিনিওটা পৰ্যায়ৰ নিৰ্বাচনৰ পাছত ই ভি এমসমূহ ৫০টা ষ্ট্ৰং ৰূমত ৰখা হৈছে। ষ্ট্ৰং ৰূমসমূহত ৩ তৰপীয়া নিৰাপত্তা ব্যৱস্থা কৰাৰ লগতে ইয়াৰ প্ৰৱেশ আৰু প্ৰস্থান দ্বাৰ চিচি কেমেৰাৰ দ্বাৰা অহৰহ নিৰীক্ষণত ৰখা হৈছে। উল্লেখযোগ্য যে, তৃতীয় পৰ্যায়ৰ নিৰ্বাচনত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰ সমষ্টিত ৬ গৰাকী মহিলা প্ৰাৰ্থীকে ধৰি মুঠ ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল।

উল্লেখযোগ্য যে, কালি বৰপেটা সমষ্টিত ৮৫ দশমিক ২-৪, ধুবুৰীত ৯২ দশমিক ০-৮, গুৱাহাটীত ৭৮ দশমিক ৩-৯ আৰু কোকৰাঝাৰ সমষ্টিত ৮৩ দশমিক ৫-৫ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰে। উল্লেখযোগ্য যে ৰাজ্যখনৰ ১৪টা সমষ্টিত তিনিটা পৰ্যায়ত অনুষ্ঠিত ভোটগ্ৰহণৰ কোনো এটা পৰ্যায়তে কোনো কাৰণত পুনৰ ভোটগ্ৰহণ কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হোৱা নাই। এইবাৰৰ ভোটগ্ৰহণ সম্পূৰ্ণ নিয়াৰিকৈ সম্পন্ন হৈছে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে দেশৰ বাকী ৪টা পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ পাছত ৪ জুনত ভোটগণনা কৰা হ'ব।

০০০০০০

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত কালি দেশৰ ৯৩টা সমষ্টিত ৬৫ দশমিক ১-৯ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। এই পৰ্যায়ত ১০খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৩টা সমষ্টিত ভোটগ্ৰহণ কৰা হয়। তৃতীয় পৰ্যায়ত সামৰি লোৱা ১০ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভিতৰত অসমত ৮৫ দশমিক ৪-৫ শতাংশ, বিহাৰত ৫৮ দশমিক ৫-৮ শতাংশ, ছত্তিশগড়ত প্ৰায় ৭১ দশমিক ৯-৮ শতাংশ, দাদৰা-নগৰ হাভেলি আৰু দমন-দিউত ৬৯ দশমিক ৮-৭ শতাংশ, গুজৰাটত ৫৯ দশমিক ৫-১ শতাংশ, কৰ্ণাটকত ৭১ দশমিক ৭-৮ শতাংশ, গোৱাত ৭৫ দশমিক ২-০ শতাংশ, মধ্যপ্ৰদেশত ৬৬ দশমিক ৭-১ শতাংশ, মহাৰাষ্ট্ৰত ৬১ দশমিক ৪-৪ শতাংশ, উত্তৰ প্ৰদেশত ৫৭ দশমিক ৫-৫ শতাংশ আৰু পশ্চিমবংগত ৭৭ দশমিক ৫-৩ শতাংশ ভোটদান হয়।

তৃতীয় পৰ্যায়ত গুজৰাটৰ ২৫টা, কৰ্ণাটকৰ ১৪টা, মহাৰাষ্ট্ৰৰ ১১টা, উত্তৰ প্ৰদেশৰ ১০টা, মধ্যপ্ৰদেশৰ ৯টা, ছট্টিশগড়ৰ ৭টা, বিহাৰৰ ৫টা, অসমৰ ৪টা, পশ্চিমবংগৰ ৪টা, গোৱাৰ দুটা সমষ্টিৰ লগতে কেন্দ্ৰীয় শাসিত দাদৰা-নগৰ হাভেলি আৰু দমন-ডিউৰ এটাকৈ সমষ্টিক সাঙুৰি লোৱা হয়। তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ লগে লগে দেশৰ ২০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ২৮৩টা সংসদীয় সমষ্টিত ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ সামৰণি পৰিল। তৃতীয় পৰ্যায়ত ভোটগ্ৰহণৰ লগে লগে উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্য, বাওঁপন্থী উগ্ৰবাদ প্ৰভাৱিত এলেকা ছত্তিশগড়, মহাৰাষ্ট্ৰ আৰু মধ্যপ্ৰদেশতো ভোটগ্ৰহণৰ প্ৰক্ৰিয়া সম্পন্ন হয়।

তৃতীয় পৰ্যায়ত মুঠ এহেজাৰ ৩৩১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা কৰা উল্লেখযোগ্য প্ৰাৰ্থীসকলৰ ভিতৰত- বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহ, মনসুখ মন্দাভিয়া, জ্যোতিৰাদিত্য সিন্ধিয়া, প্ৰহ্লাদ যোশী, শিৱৰাজ সিং চৌহান, বাসৱৰাজ বোম্মাই, কংগ্ৰেছ নেতা দিগ্বিজয় সিং আৰু অধীৰৰঞ্জন চৌধুৰী, সমাজবাদী পাৰ্টীৰ ডিম্পল যাদৱ, এন চি পি শাৰদ পাৱাৰ গোটৰ সুপ্ৰিয়া সুলে অন্যতম।

oooooo

দেশৰ বিভিন্ন প্ৰান্তত পৰৱৰ্তী ৪টা পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান ব্যাপক ৰূপত অব্যাহত আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কৰিমনগৰ লোকসভা সমষ্টিৰ ভেমুল্লাবাড়াত স্থানীয় প্ৰাৰ্থী তথা বিজেপিৰ সাধাৰণ সম্পাদক বান্দি সঞ্জয় কুমাৰৰ হকে এখন জনসভাত প্ৰচাৰ চলায়। প্ৰধানমন্ত্ৰীয়ে বি আৰ এছ আৰু তেলেংগানাৰ কংগ্ৰেছ চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰাৰ লগতে কংগ্ৰেছৰ পৰিয়াল প্ৰথম নীতিৰ বিপৰীতে বিজেপিয়ে ৰাষ্ট্ৰ প্ৰথম নীতিত গুৰুত্ব আৰোপ কৰি আহিছে বুলি মন্তব্য কৰে।

তেওঁ ৱাৰাংগল লোকসভা সমষ্টিৰ এখন জনসভাত দলীয় প্ৰাৰ্থী আৰুৰী ৰমেশৰ সমৰ্থনত ভাষণ দিয়ে। তেওঁ কয় যে, বিজেপিয়ে ৰাষ্ট্ৰ প্ৰথম নীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি অহাৰ বিপৰীতে কংগ্ৰেছে পৰিয়ালকেন্দ্ৰিক শাসনৰ ওপৰত গুৰুত্ব দিয়ে। প্ৰধানমন্ত্ৰীয়ে তেলেংগানাৰ জনসাধাৰণক বিকাশৰ লক্ষ্যৰে ভোটদান কৰিবলৈ আহ্বান জনায়। ইয়াৰ পাছতে শ্ৰীমোদীয়ে অন্ধ্ৰপ্ৰদেশৰ ৰাজমপেটত নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে ৰাওনা হয়। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি গৃহৰাজ্য হিমাচল প্ৰদেশত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। শ্ৰীনাড্ডাই মান্দি জিলাৰ দিয়াৰ্গি ছেগলি গাঁও পঞ্চায়তৰ কোট বাগীত এখন ৰাজহুৱা সভাত অংশ লয়। ইপিনে বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি উত্তৰ প্ৰদেশৰ পৰা ৰাজহুৱা প্ৰচাৰৰ শুভাৰম্ভ কৰে। বিৰোধী কংগ্ৰেছ দলৰ লগতে অন্যান্য ৰাজনৈতিক দলসমূহেও প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধী ৰাড্ৰাই আজি উত্তৰ প্ৰদেশৰ ৰায়বৰেলীত এটা সমাবেশত অংশগ্ৰহণ কৰে। জনসাধাৰণক উদ্দেশ্যি দিয়া ভাষণত তেওঁ ন্যায় আৰু সুশাসনৰ বাবে কংগ্ৰেছ দলক জয়ী কৰাবলৈ আহ্বান জনায়।

ইফালে আম আদমী পাৰ্টীৰ জ্যেষ্ঠ নেতা গোপাল ৰায়ে কয় যে, অৰবিন্দ কেজৰিৱালৰ গ্ৰেপ্তাৰে দলটোক দুৰ্বল কৰা নাই বৰং শক্তিশালীহে কৰিছে। তেওঁ কয় যে, যদিও তেওঁলোকৰ দলৰ বহুকেইজন নেতা কাৰাবন্দী হৈ আছে তথাপি দলটোৱে লোকসভা নিৰ্বাচনৰ বাবে তীব্ৰভাৱে প্ৰচাৰ অভিযান চলাইছে।

০০০০০০

নিৰ্বাচন আয়োগে ১৩ মে'ত হ'বলগীয়া চতুৰ্থ পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰস্তুতি নিৰীক্ষণৰ বাবে নিয়োগ কৰা ৩৫৪ গৰাকী নিৰীক্ষকে আজি এই পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰস্তুতিৰ সবিশেষ বুজ লয়। সেই উপলক্ষে আয়োজিত বৈঠকত মুখ্য নিৰ্বাচনী আয়ুক্ত ৰাজীৱ কুমাৰে এই নিৰ্বাচন মুক্ত, স্বচ্ছ আৰু নিকাকৈ অনুষ্ঠিত কৰাৰ বাবে সকলো ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে গ্ৰীষ্ম প্ৰবাহৰ প্ৰতি লক্ষ্য ৰাখি ভোটকেন্দ্ৰসমূহত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ উপৰি যাৱতীয় ব্যৱস্থাসমূহ সম্পূৰ্ণ কৰি তুলিবলৈ নিৰ্দেশ দিছে।

০০০০০০

পঞ্চম পৰ্যায়ত অহা ২০ মে'ত ছখন ৰাজ্য আৰু দুটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৪৯টা সংসদীয় সমষ্টিত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। এই পৰ্যায়ৰ বাবে এহেজাৰ ৫৮৬ খন মনোনয়ন দাখিল কৰা হৈছিল যদিও চালি জাৰি চোৱাৰ পাছত ৭৪৯ খন মনোনয়ন বৈধ ঘোষণা কৰা হয়। পঞ্চম পৰ্যায়ত উত্তৰ প্ৰদেশৰ ১৪টা, মহাৰাষ্ট্ৰৰ ১৩টা, পশ্চিমবংগৰ ৭টা, বিহাৰ আৰু ওড়িশাৰ ৫টাকৈ, ঝাৰখণ্ডৰ ৩টা আৰু লাডাখ আৰু জম্মু আৰু কাশ্মীৰৰ এটাকৈ সমষ্টিৰ বাবে নিৰ্বাচন হ'ব।

০০০০০০

সমাগত লোকসভা নিৰ্বাচনত কেইবাখনো ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ পুত্ৰই প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী  তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিজেপি নেতৃত্বাধীন এন ডি এৰ হৈ ডিব্ৰুগড় সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইপিনে, ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ পুত্ৰ গৌৰৱ গগৈয়ে যোৰহাট সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰিছে।

ইফালে, বিজেপিয়ে হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মনোহৰ লাল খাট্টাৰক কৰ্ণেল সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব দিয়াৰ বিপৰীতে উত্তৰাখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ত্ৰিবেন্দ্ৰ সিং ৰাৱাটক হৰিদ্বাৰ সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব দিছে। ইপিনে চত্তিশগড়ত প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেলক ৰাজনন্দ গাওঁ সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব দিয়া হৈছে।

কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বাসৱ ৰাজ বুম্মাইক হাভেৰী, ৰাজ্যখনৰ আন এগৰাকী প্ৰাক্তন মুখ্যমন্ত্ৰী জগদীশ ছাট্টাৰক বেলগ্ৰাম সমষ্টিৰ পৰা বিজেপিয়ে প্ৰাৰ্থিত্ব দিয়ে। জনতা দল চেকুলাৰে কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা প্ৰাক্তন প্ৰধানমন্ত্ৰী এইচ দি দেৱেগৌড়াৰ পুত্ৰ এইচ দি কুমাৰাস্বামীক মন্দিয়া লোকসভা আসনখনৰ পৰা প্ৰাৰ্থিত্ব দিছে।

মধ্য প্ৰদেশৰ ছিন্দৱাৰা সমষ্টিৰ পৰা ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কমল নাথৰ পুত্ৰ নকুল নাথে কংগ্ৰেছ দলৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইপিনে বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা হিন্দুস্তানী আৱাম মৰ্চা চেকুলাৰৰ নেতা জীতন ৰাম মাঝিক এন ডিয়ে প্ৰাৰ্থিত্ব দিছে। ত্ৰিপুৰাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মানিক সৰকাৰে এইবাৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

তামিলনাডুৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অ' পনিৰ ছেলভামে এইবাৰ নিৰ্দলীয় প্ৰাৰ্থী হিচাপে ৰামানাথাপুৰম সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইপিনে, অন্ধ্ৰপ্ৰদেশ বিধানসভা নিৰ্বাচনতো কেইবাগৰাকী প্ৰাক্তন মুখ্যমন্ত্ৰীৰ পুত্ৰই প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।

০০০০০০

আজি শ্ৰীশ্ৰী দামোদৰ দেৱৰ ৪২৬ সংখ্যক তিৰোভাৱ তিথি। এই উপলক্ষে মহাপুৰুষজনাই স্থাপন কৰা বৰপেটা জিলাৰ আদিসত্ৰ পাটবাউসীত ৭ দিনীয়া কাৰ্যসূচীৰে উলহ মালহেৰে পালন কৰা হৈছে। কালি বন্তি

প্ৰজ্বলন, থিয়নাম পৰিৱেশন আদি কাৰ্যসূচীৰে গোন্ধ যাত্ৰা অনুষ্ঠিত কৰাৰ পাছত আজি মূল তিথি পালন কৰা হয়। আজিৰ কাৰ্যসূচী হিচাপে কৰভাৰ প্ৰদান কৰা হয়। শ্ৰীশ্ৰীদেৱ দামোদৰ সংঘৰ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ভক্তসকলে শোভাযাত্ৰা কৰি গুৰুজনাৰ আদিসত্ৰখনত পৰম্পৰাগত ৰীতি-নীতিৰে কৰভাৰ প্ৰদান কৰে। তদুপৰি প্ৰসংগ, আয়তিৰ নাম আদি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখযোগ্য যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভতিজা ৰামৰায়ৰ পৰা এতোলা সোণৰ বিনিময়ত মাটি লৈ দামোদৰ দেৱে পাটবাউসী সত্ৰ স্থাপন কৰিছিল। পাছত তেওঁ অসমীয়া গদ্য সাহিত্যৰ জনক ভট্টদেৱক সত্ৰখনৰ সত্ৰাধিকাৰ পাটি কোচবিহাৰলৈ গৈছিল। সত্ৰখন চলাত অসুবিধা নহ'বলৈ দামোদৰ দেৱে ভকত তথা অনুগামীসকলক বছৰি গুৰুকৰ প্ৰদান কৰিবলৈ আহ্বান জনাইছিল। তেতিয়াৰ পৰা সত্ৰখনত কৰভাৰ প্ৰদান প্ৰথা চলি আহিছে। মাজুলীৰ দক্ষিণপাত গৃহাশ্ৰমী সত্ৰতো দামোদৰদেৱৰ তিৰোভাৱ তিথি পালন কৰা হয়। কালিৰে পৰা দুদিনীয়াকৈ উদযাপিত কাৰ্যসূচীৰ অংশ হিচাপে আজি বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলি অৰ্পণ, গুৰু বন্দনা, শ্ৰীশ্ৰী কৃষ্ণলীলা কীৰ্তন ঘোষা ৰত্ন পাঠ আৰু অসমীয়া গদ্য সাহিত্যৰ জনক ভট্টদেৱৰ প্ৰসঙ্গ আদিৰে অনুষ্ঠানৰ সম্পাদনা কৰা হয়। ইফালে, এই তিথি উপলক্ষে দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৰুজনাৰ আদৰ্শ আৰু কৰ্মৰাজিৰ দ্বাৰা অনুপ্ৰাণিত হৈ সমন্বয় আৰু একতাৰে আগবাঢ়ি যাবলৈ ৰাজ্যবাসীক আহ্বান জনায়। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিত কুমাৰ দাসেও মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰ দেৱৰ তিথি উপলক্ষে ভক্তি অঞ্জলি নিবেদন কৰে। এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে কয় যে, গুৰুজনাৰ বুদ্ধিমত্তা, দৃঢ়মনা, সংগঠক আৰু বিশেষণতাই অসমীয়া সমাজ আধ্যাত্মিক দিশেৰে আজীৱন উদ্বুদ্ধ কৰি যাব।

oooooo

থেলাছেমিয়া ৰোগৰ বিষয়ে জনসাধাৰণক সজাগ আৰু সতৰ্ক কৰাৰ উদ্দেশ্যে আজি সমগ্ৰ বিশ্বতে থেলাছেমিয়া দিৱস উদযাপন কৰা হৈছে। প্ৰতিবছৰে ৮ মে'ৰ দিনটোত এই দিৱস পালন কৰি অহা হৈছে। জিনীয় বিসঙ্গতিৰ বাবে তেজৰ লোহিত ৰক্তকণিকাৰ উৎপাদন কমি যোৱা এই ৰোগ সন্দৰ্ভত বিশ্বজুৰি সজাগতা সৃষ্টিৰ উপৰি এনে ৰোগীৰ ক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সম্পৰ্কে অৱগত কৰোৱাৰ বাবে এই দিৱস পালন কৰা হয়। এইবাৰৰ এই দিৱসৰ শ্ল'গান হ'ল - 'জীৱনক শক্তি প্ৰদানৰ বাবে আগুৱাই যোৱাৰ ক্ষেত্ৰত সকলোৰে কাৰণে সুচল আৰু সমভাৱে থেলাছেমিয়াৰ চিকিৎসা'। এই ৰোগ নিৰ্মূল কৰাটো সম্ভৱ নহয় যদিও উপযুক্ত চিকিৎসাৰ দ্বাৰা ৰোগীয়ে সুচলভাৱে জীৱন যাপন কৰি থাকিব পাৰে। এনে ৰোগীৰ ক্ষেত্ৰত ভাগৰ লগা, দৈহিক বিকাশত বাধা, পেট ফুলি যোৱা, প্ৰস্ৰাৱৰ বিসঙ্গতি আদি দেখা যায়। বংশগতভাৱে ৰোগীৰ দেহত ধৰা দিয়া এই বিসঙ্গতিৰ লক্ষণ পোৱা মাত্ৰেই চিকিৎকৰ দ্বাৰা নিৰীক্ষণ কৰি পৰামৰ্শ ল'লে এগৰাকী ৰোগী দীৰ্ঘদিন ধৰি সুস্থ লোকৰ দৰে জীৱন অতিবাহিত কৰিব পাৰে।

বিশ্ব থেলাছেমিয়া দিৱস উপলক্ষে ৰাজ্যৰ স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তই এটা বাৰ্তাত পৰ্যাপ্ত পৰিমাণে ৰক্তদান কৰি আৰু সজাগতা সৃষ্টিৰ জৰিয়তে সমাজখনক থেলাছেমিয়াৰ প্ৰাদুৰ্ভাৱৰ পৰা মুক্ত কৰিবলৈ আহ্বান জনায়।

oooooo

উত্তৰ-পূব সীমান্ত ৰে'লৱেই তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ সময়ছোৱাত হোৱা যাত্ৰীৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি আজিৰ দিনটোৰ বাবে কেইবাখনো ৰে'লগাড়ী কোনো কোনো ঠাইত অতিৰিক্তভাৱে ২ মিনিটকৈ ৰখোৱাৰ ব্যৱস্থা কৰিছে। সেই অনুসৰি আজি **হাওৰা-ডিব্ৰুগড় কামৰূপ এক্সপ্ৰেছ** বিজনী আৰু কৈঠালকুছিত, **পুৰী-কামাখ্যা এক্সপ্ৰেছ** বিজনী, সৰভোগ, পাঠশালা, টিহু আৰু নলবাৰীত, **টম্বাৰাম-শিলঘাট টাউন এক্সপ্ৰেছ** বৰপেটা ৰোড আৰু নলবাৰীত, **শিয়ালদহ-শিলঘাট কাঞ্চনজংঘা এক্সপ্ৰেছ** নলবাৰীত, **শিলচৰ-সৰভোগ**

**এক্সপ্রেছ** নলবাৰী আৰু বিজনীত, **গুৱাহাটী-জম্মু টাৱাই এক্সপ্রেছ** নলবাৰী আৰু বৰপেটা ৰোডত আৰু **ডিব্রুগড়-লোকমান্য টিলক (টি) এক্সপ্রেছ** নলবাৰীত অতিৰিক্তভাৱে ৰখোৱাৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০

কবিগুৰু ৰবীন্দ্র নাথ ঠাকুৰৰ ১৬৪ সংখ্যক জয়ন্তী উপলক্ষে আজি দেশৰ অন্যান্য প্রান্তৰ লগতে ৰাজ্যৰ বিভিন্ন জিলাত অনুষ্ঠানৰ আয়োজন কৰা হৈছে। হাইলাকান্দি জিলাৰ বিভিন্ন শিক্ষানুষ্ঠান, বেচৰকাৰী প্রতিষ্ঠানত ৰবীন্দ্র জয়ন্তী উদযাপন কৰা হৈছে। বৰাক উপত্যকা বংগ সাহিত্য আৰু সাংস্কৃতিক মঞ্চৰ উদ্যোগত হাইলাকান্দিত কেন্দ্রীয়ভাৱে আয়োজিত অনুষ্ঠানত কবিগুৰুৰ প্রতি শ্রদ্ধা জনাই ভালেমান কাৰ্যসূচী গ্রহণ কৰা হয়। ৰবীন্দ্র নাথ ঠাকুৰৰ জয়ন্তী উপলক্ষে কৰিমগঞ্জ জিলাৰ বিভিন্ন শিক্ষানুষ্ঠান আৰু সামাজিক অনুষ্ঠানত ৰবীন্দ্র জয়ন্তী উদযাপন কৰা হয়। ইয়াৰ অংশ হিচাপে বদৰপুৰ মহাবিদ্যালয় সাংস্কৃতিক বিভাগৰ উদ্যোগত এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত বক্তাসকলে কবিগুৰুগৰাকীৰ জীৱনৰ বিভিন্ন দিশৰ ওপৰত আলোচনা কৰে। ধুবুৰী জিলাৰ গৌৰীপুৰৰ প্রতাপ চন্দ্র উচ্চতৰ মাধ্যমিক বিদ্যালয়ত গৌৰীপুৰ মিউজিক কলেজৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে কবিগুৰু ৰবীন্দ্র নাথ ঠাকুৰৰ জয়ন্তী পালন কৰা হয়। এই উপলক্ষে চিত্রাংকন প্রতিযোগিতা, নৃত্য প্রতিযোগিতা আৰু সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হয়। ইফালে, মুখ্যমন্ত্রী হিমন্ত বিশ্ব শৰ্মাই কবিগুৰু গৰাকীৰ জয়ন্তী উপলক্ষে শ্রদ্ধা জ্ঞাপন কৰে। এটা বাৰ্তাত মুখ্যমন্ত্রীগৰাকীয়ে কয় যে, কবিগুৰুৱে নিজৰ লিখনিৰ জৰিয়তে ভাৰতীয় সাহিত্যক সমৃদ্ধ কৰাৰ লগতে ৰাষ্ট্রীয় সংহতিকো সুদৃঢ় কৰিছিল।

০০০০০০

বিগত কেইবা বছৰ ধৰি ব্রহ্মপুত্রৰ খহনীয়াই ভাবুকিৰ সৃষ্টি কৰি অহা ঐতিহাসিক ডিব্রুগড় চহৰ এইবাৰো খহনীয়াৰ সমস্যাৰ পৰা ভাবুকিৰ সন্মুখীন হৈছে। চলিত বৰ্ষত ১২টাকৈ বাসগৃহ নদীৰ বুকুত জাহ যোৱাৰ লগতে ক্রমাৎ চহৰখনৰ আৱাসীসকলৰ সমস্যাৰ সৃষ্টি হৈছে। খহনীয়াৰ ফলত মাইজান অঞ্চলৰ মূল মথাউৰি ইতিমধ্যে স্থানান্তৰ কৰিবলগীয়া হৈছে। ব্রহ্মপুত্রৰ মূল সুঁতি একেবাৰে চাপি অহাৰ ফলত খৰালি কালতো গৰাখহনীয়াৰ সমস্যাই দেখা দিছে। ইপিনে, দুলীয়াজান বিধানসভা সমষ্টিৰ দিহিং কিনাৰ নেপালী গাঁৱত বুঢ়ী দিহিং নৈৰ খহনীয়াই ভাবুকিৰ সৃষ্টি কৰা বুলি জানিব পৰা গৈছে। জনসাধাৰণে এই সমস্যাৰ পৰা ৰেহাই পোৱাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক আবেদন জনাইছে।

০০০০০০

ব্রহ্মপুত্রৰ জলস্তৰ বৃদ্ধি হোৱাৰ পৰিপ্রেক্ষিতত গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজৰ ফেৰী সেৱা আজি তৃতীয় দিনৰ বাবেও বন্ধ হৈ আছে। জলপৃষ্ঠ বৃদ্ধি পোৱাত ফেৰী ঘাটৰ ৰেম্প বুৰ যোৱাৰ পৰিপ্রেক্ষিতত অভ্যন্তৰীণ জলপৰিবহণ বিভাগে ৰেম্প মেৰামতি নোহোৱা পৰ্যন্ত ফেৰী চলাচল বন্ধ কৰিছে। পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত ফেৰী সেৱা বন্ধ হৈ থাকিব।

০০০০০০

আই পি এল ক্রিকেট প্রতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্রীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্চ হায়দৰাবাদ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

সমাপ্ত